# MASTER DEGREE 2ND SEMESTER EXAMINATION 2013

বিষয় ঃ অসমীয়া

অষ্টম কাকত ঃ অসমীয়া চুটি গল্প

সময় ঃ ৩ ঘণ্টা — মুঠ নম্বৰ ঃ ৮০

১। তলৰ প্ৰশ্নসমূহৰ উত্তৰ লিখক। ২×৫ = ১০

(ক) জোনাকীৰ চতুৰ্থ বছৰ চতুৰ্থ সংখ্যাত প্ৰকাশিত বেজবৰুৱাৰ গল্পটোৰ নাম কি আছিল ? অসমীয়া গল্পৰ ইতিহাসত ইয়াৰ গুৰুত্ব কি ?

(খ) ফ্ৰয়দীয় চিন্তা প্ৰকাশ পোৱা আৱাহন যুগৰ দুজন গল্পকাৰৰ নাম উল্লেখ কৰক।

(গ) মুক্তি গল্পত সুকুমাৰৰ ককায়েক আৰু দেউতাকে সমাজৰ কোনটো শ্ৰেণীক প্ৰতিনিধিত্ব কৰিছে?

(ঘ) লক্ষীধৰ শৰ্মাৰ 'পৰাজয়' গল্পৰ নায়কজনৰ নাম কি? তেওঁৰ মাজত কি সামাজিক আদৰ্শ প্ৰকাশ পাইছে?

(ঙ) ভবেন্দ্ৰনাথ শইকীয়াৰ গল্প পুথিকেইখনৰ দুখন পুথিৰ নাম উল্লেখ কৰক।

২। তলৰ যিকোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখক। ৪×৩ = ১২

(ক) আৱাহন যুগৰ গল্পৰ বৈশিষ্ট্যসমূহৰ চমুকৈ উল্লেখ কৰক।

(খ) ৰামধেনু যুগৰ সৰ্বাধিক জনপ্ৰিয় গল্পকাৰ চৈয়দ আব্দুল মালিকৰ সাহিত্যকৃতি সম্পৰ্কে চমুকৈ লিখক।

(গ) 'বীনাকুটিৰ' গল্পৰ যোগেদি কেনেকুৱা সামাজিক চিন্তা প্ৰকাশিত হৈছে আলোচনা কৰক।

(ঘ) অসমীয়া গল্প সাহিত্য সম্পৰ্কে আলোচিত গ্ৰন্থকেইখনমানৰ উল্লেখ কৰক।

(ঙ) আৱাহন যুগৰ গল্পকাৰ হলিৰাম ডেকাৰ গল্পৰ অভিনবত্ব ক'ত? এটি আভাস দাঙি ধৰক।

৩। তলৰ যিকোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখক। ৬×৩ = ১৮

(ক) 'ভবিষ্যৎ' গল্পত চিত্ৰিত হোৱা পুত্ৰবান পিতৃ গৰাকীৰ মনোদশাৰ চমু বিৱৰণ আগবঢ়াওক।

(খ) ৰামধেনু যুগৰ মহিলা লিখিকা কেইগৰাকীমানৰ গল্প প্ৰতিভাৰ বিষয়ে চমুকৈ লিখক।

(গ) 'সেন্দুৰ' গল্পত স্বামী-স্ত্ৰীৰ সম্পৰ্কৰ ওপৰত গল্পকাৰৰ কেনে দৃষ্টিভংগী প্ৰকাশ পাইছে চমুকৈ আলোচনা কৰক।

(ঘ) জোনাকী যুগৰ উল্লেখযোগ্য গল্পকাৰকেইজনৰ কৃতিৰ চমু পৰিচয় দিয়ক।

(ঙ) লক্ষ্মীনাথ বেজবৰুৱাৰ গল্পৰ প্ৰধান বৈশিষ্ট্যসমূহ কি আলোচনা কৰক।

৪। তলৰ যিকোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখক। ১০×৪ = ৪০

(ক) চুটিগল্পৰ উদ্ভৱ আৰু বিকাশ সম্পৰ্কে এটি আলোচনা আগবঢ়াওক।

(খ) বিশ্ব গল্প সাহিত্যৰ পৰিপ্ৰেক্ষিতত অসমীয়া গল্পৰ উত্থানৰ আভাস দিয়ক।

(গ) জোনাকী যুগৰ গল্পৰ সমাজ সচেতনতাতকৈ ৰোমান্টিক দৃষ্টিভংগী বেছি সমুজ্বল — এই উক্তিৰ সত্যাসত্য বিচাৰ কৰক।

(ঘ) আৱাহন যুগৰ গল্পত নতুন চিন্তাধাৰাৰ সম্প্ৰসাৰণ কেনেকৈ ঘটিছিল আলোচনা কৰক।

(ঙ) বেজবৰুৱাৰ 'মুক্তি' গল্পৰ শিক্ষা ব্যৱস্থাৰ ওপৰত কেনেদৰে দৃষ্টিপাত কৰা হৈছে কাহিনীৰ আভাস দি পৰ্যালোচনা কৰক।



(চ) সৌৰভ কুমাৰ চলিহাৰ 'বীনাকুটিৰ' গল্পই অসমীয়া গল্পত কি ব্যতিক্ৰম ধৰ্মী চিন্তাৰ সমাবেশ ঘটাইছে সেই বিষয়ে আলোচনা কৰক।

(ছ) ভবেন্দ্ৰনাথ শইকীয়া 'হেন্দুৰ' গল্পৰ এটি বিশ্লেষণাত্মক আলোচনা আগবঢ়াওক।

(জ) হোমেন বৰগোহাঁঞিৰ 'অক্টোপাচ' গল্পত ফ্ৰয়দীয় চিন্তাৰ বিকাশ লক্ষ্য কৰা যায় ইয়াৰ তাৎপৰ্য বিশ্লেষণ কৰক।

** ** **